# অধ্যায় ৬ ঃ গুপ্তসকলৰ শাসনকালত হোৱা সাংস্কৃতিক বিকাশ

## অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ সাহিত্যৰ বিকাশ
৬.৩.১ সংস্কৃত সাহিত্য
৬.৩.২ আঞ্চলিক ভাষাৰ সাহিত্য
৬.৪ গুপ্ত যুগৰ কলা
৬.৪.১ ভাস্কর্য
৬.৪.২ চিত্রকলা
৬.৪.৪ সংগীত
৬.৫ স্থাপত্য
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান
৬.৯ আৰ্হি প্রশ্ন

## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গুপ্ত সাম্রাজ্যৰ সাংস্কৃতিক বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- গুপ্ত সাম্রাজ্যৰ অধীনত হোৱা সংস্কৃত আৰু দেশীয় সাহিত্যৰ বিকাশৰ বিষয়ে বর্ণনা কৰিব পাৰিব, আৰু
- গুপ্ত যুগৰ ভাস্কর্য, স্থাপত্য আৰু চিত্রকলাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মৌর্যৰ পৰৱর্তী কালত হোৱা সাংস্কৃতিক বিকাশৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত গুপ্তসকলৰ অধীনত হোৱা সাংস্কৃতিক প্রগতিৰ বিষয়ে আলোচনা কৰিম।

গুপ্ত যুগক ভাৰতীয় ইতিহাসৰ যুগ আখ্যা দিয়া হয়। ই আছিল ভাৰতীয় ইতিহাসৰ আটাইতকৈ উল্লেখনীয় যুগ যেতিয়া শান্তি আৰু সমৃদ্ধিয়ে উচ্চ শিখৰত আৰোহণ কৰিছিল। সাংস্কৃতিক দিশত হোৱা প্রগতিৰ কাৰণে গুপ্ত সাম্রাজ্য ভাৰতীয় ইতিহাসৰ এক উল্লেখযোগ্য অধ্যায়। গুপ্তসকলে ভাৰতীয় উপমহাদেশত এক ৰাজনৈতিক একতা স্থাপন কৰিবলৈ সক্ষম হৈছিল যি একতা খ্রীষ্টাব্দ ৩১৯ ৰ পৰা ৪৬৭ চনলৈ প্রায় এক শতিকাতকৈ বেছি বর্তি আছিল। শ্রীগুপ্তক

গুপ্ত সাম্রাজ্যৰ প্ৰতিষ্ঠাতা আখ্যা দিয়া হয়। গুপ্ত যুগ খ্ৰীষ্টাব্দ ৩১৯ ত আৰম্ভ হৈছিল যেতিয়া প্ৰথম চন্দ্ৰগুপ্ত সিংহাসনত আৰোহণ কৰিছিল। তেওঁৰ পুত্ৰ আৰু উত্তৰাধিকাৰী সমুদ্ৰগুপ্ত গুপ্ত সাম্ৰাজ্যৰ বিখ্যাত শাসক আছিল। বৃহৎ মাত্ৰাত আনৰ ৰাজ্য অধিকাৰ কৰাৰ কাৰণে V.A.Smith য়ে তেওঁক 'ভাৰতীয় নেপোলিয়ন' আখ্যা দিছে। তেওঁৰ পৰৱৰ্তী শাসক দ্বিতীয় চন্দ্ৰগুপ্ত যি 'বিক্ৰমাদিত্য' উপাধি গ্ৰহণ কৰিছিল তেওঁৰ শাসনকালত সাহিত্য আৰু কলাৰ ক্ষেত যথেষ্ট প্ৰগতি লাভ কৰিছিল। তেওঁৰ পৰৱৰ্তী দুই শাসক কুমাৰগুপ্ত আৰু স্কন্দগুপ্তৰ শাসনৰ শান্তি আৰু সমৃদ্ধিৰ যুগত কলা আৰু ভাস্কৰ্যই প্ৰগতি লাভ কৰিছিল।

## ৬.৩ সাহিত্যৰ বিকাশ

গুপ্ত যুগক সাংস্কৃতিক বিকাশৰ প্ৰসংগত 'ধ্ৰুপদী যুগ' আখ্যা দিয়া হয়। এই সময়চোৱাত কলা, স্থাপত্য, ভাস্কৰ্য, সাহিত্য আৰু চিত্ৰকলাৰ ক্ষেত্ৰত এক উল্লেখনীয় উন্নতি সাধন হৈছিল। গুপ্ত ৰাজবংশৰ শাসকসকলে সাহিত্য আৰু কলা দুয়োটাৰে সক্ৰিয়ভাবে পৃষ্ঠপোষকতা আগবঢ়াইছিল। তেওঁলোকৰ ৰাজসভা কবি, নাট্যকাৰ, দাৰ্শনিক, গণিতজ্ঞ আদি লোকে শুৰনি কৰিছিল। গুপ্ত যুগৰ সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এক নান্দনিক অনুভূতি সুস্পষ্ট। উপিন্দৰ সিঙে সঠিকভাৱেই মন্তব্য আগবঢ়াইছে যে -

"এই শতিকা সমূহৰ কলা সুলভ সৃষ্টিৰাজিৰ প্ৰশংসা কৰোতে আমি একে সময়তে প্ৰশ্ন কৰো যে ই প্ৰকৃততে সাহিত্য, ভাস্কৰ্য, আৰু স্থাপত্যৰ উৎকৃষ্ট প্ৰদৰ্শন কৰিছেনে - যাক 'ধ্ৰুপদী যুগ' নাম দিয়া হৈছে - আৰু কলাসুলভ সৃষ্টিৰ মনত সাঁচ পেলোৱা বিভিন্ন যুগসমূহৰ এটা বুলি আখ্যা দিব পাৰি নেকি।" (Singh Upinder :2009 :p-526)

### ৬.৩.১ সংস্কৃত সাহিত্য

ভাৰতীয় সাহিত্যৰ ইতিহাসত গুপ্ত যুগক এক উল্লেখযোগ্য যুগ আখ্যা দিয়া হয়। গদ্য, কবিতা, নাটক আৰু ব্যাকৰণৰ বহুতো উল্লেখনীয় সাহিত্যিক কৰ্মৰাজিৰ সৃষ্টি হৈছিল। গুপ্ত ৰজাসকল সাহিত্যৰ মহান পৃষ্ঠপোষক। এক নতুন লিখন শৈলীৰে গদ্য আৰু পদ্যৰ বিকাশ সাধন হৈছিল। সেয়েহে, কিছুসংখ্যক পণ্ডিতে গুপ্তযুগক সাহিত্যৰ নৱজাগৰণৰ যুগ বুলি কয়।

সংস্কৃত ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত গুপ্ত যুগত বৃহৎ প্ৰগতি সাধন হৈছিল। গুপ্ত ৰজাসকল সংস্কৃত ভাষাৰ মহান পৃষ্ঠপোষক আছিল আৰু বিভিন্নজন পণ্ডিতে সহযোগিতা আগবঢ়াইছিল। গুপ্তযুগত বহুতো ধ্ৰুপদী সংস্কৃত কৰ্মৰাজিৰ সৃষ্টি হৈছিল। এইটো উল্লেখনীয় যে সংস্কৃত গুপ্ত ৰাজসভাৰ চৰকাৰী ভাষা আছিল। মহান মৌৰ্য সম্ৰাট অশোকে ৰাজ আজ্ঞাত পালি ভাষা ব্যৱহাৰ কৰিছিল। দুই মহান ভাৰতীয় মহাকাব্য ৰামায়ণ আৰু মহাভাৰতে এই যুগত সম্পূৰ্ণ ৰূপ পাইছিল। পুৰাণৰ ৰচনা আৰু স্মৃতি

সাহিত্যৰ সংকলন এই যুগৰ আন এক উল্লেখযোগ্য সাহিত্যিক কৰ্মৰাজি। গুপ্তযুগত 'নাৰদস্মৃতি' ৰচনা আৰু সংকলন কৰা হৈছিল।

**কালিদাস**

কালিদাস সম্ভৱতঃ গুপ্তযুগৰ আটাইতকৈ পৰিচিত ব্যক্তি আছিল। তেওঁ খ্ৰীষ্টাব্দ চতুৰ্থ শতিকাত বাস কৰিছিল আৰু সম্ৰাট দ্বিতীয় চন্দ্রগুপ্তৰ ৰাজসভা শুৱনি কৰিছিল। তেওঁ মহান সংস্কৃত কবি আৰু নাট্যকাৰ আছিল আনকি যিকোনো যুগৰ ভাৰতীয় লিখক সকলৰ ভিতৰত শ্রেষ্ঠ আছিল। কালিদাসে তিনিখন নাটক ৰচনা কৰিছিল। ইয়াৰ ভিতৰত 'অভিজ্ঞান্ শকুন্তলম্ ক শ্রেষ্ঠ নিদর্শন আখ্যা দিয়া হয়। ইংৰাজী আৰু অন্যান্য ভাষালৈ অনুবাদ কৰা ইয়েই আছিল আটাইতকৈ জনপ্রিয় সংস্কৃত সাহিত্য। তেওঁৰ অন্যান্য ৰচনা সমূহ হৈছে ঋতুসংহাৰম্, বিক্রমোৰ্শীয়ম, ৰঘুবংশম আৰু মেঘদূতম্। এইটো উল্লেখনীয় যে ঋতুসংহাৰ কালিদাসৰ প্রাৰম্ভিক সৃষ্টি আখ্যা দিয়া হয়। ঋতুৰ আধাৰত ৰচিত মহাকাব্য এই ছটা ঋতুৰ আবেগ, অনুভূতি আৰু প্রেমৰ অভিজ্ঞতা নিৰ্হিত হৈ আছে। কালিদাসৰ কুমাৰসম্ভৱ আন এক মহান পদ্যৰ মহাকাব্য আছিল য'ত কার্ত্তিকৰ জন্মৰ বিষয়ে উল্লেখ আছে।

**ভাস্**

আন এজন গুৰুত্বপূৰ্ণ সংস্কৃত পণ্ডিত আৰু নাট্যকাৰ ভাস্ মধ্যমভ্যাযোগ্, দূত-ঘটোৎকচ, দূতভাকি, বালচৰিত্র আৰু চাৰুদত্তৰ লিখক আছিল।

**ভৈৰৱী**

ভৈৰৱী গুপ্তযুগৰ আন এক সংস্কৃত পণ্ডিত আছিল। তেওঁ কিৰাতাৰযুনিয়ম ৰচনা কৰিছিল। গুপ্তযুগৰ এই বিখ্যাত সাহিত্যিক সকলৰ উপৰি তলত উল্লেখিত ব্যক্তিসকল এই যুগৰ বিখ্যাত পণ্ডিত আছিল।

- অমৰ সিংহই বিখ্যাত অমৰকোষ নামৰ এখন অভিধান সংকলন কৰিছিল।
- ভামহই কাব্যলাংকৰ কবিতাৰ স্তৱকত ৰচনা কৰিছিল।
- দাণ্ডিনে (Dandin) কাব্যাদর্শ আৰু দশ্ কুমাৰ চৰিত ৰচনা কৰিছিল।
- বাৎসায়নে 'নাট্য সূত্র ভাষ্য' ৰচনা কৰিছিল যি গৌতমৰ 'নাট্য সূত্র'ৰ ধাৰাভাষ্য আছিল।



**জানি থোৱা ভাল**

কালিদাসৰ সৃষ্টিৰাজি

১) নাটক - অভিজ্ঞানম্ শকুন্তলম্ আৰু বিক্রমোৰ্বশীয়ম্।

২) মহাকাব্য - ৰঘূবংশম্, কুমাৰ সম্ভৱম্ আৰু মেঘদূতম্।

৩) কবিতা/পদ্য - ঋতুসংহাম্।

### ৬.৩.২ আঞ্চলিক ভাষাৰ সাহিত্য

গুপ্ত যুগত হোৱা দেশীয় আৰু ধর্মনিৰপেক্ষ সাহিত্যৰ বিকাশ উল্লেখনীয়। সংস্কৃত ভাষা আৰু সাহিত্য ৰাজসভাই সক্রিয়ভাৱে পৃষ্ঠপোষকতা কৰিছিল যদিও প্রাকৃত ভাষাও গুপ্ত যুগৰ জনপ্রিয় ভাষা আছিল। গুপ্তযুগত দক্ষিণ ভাৰতৰ দিগম্বৰ জৈন সকলৰ বেছিভাগ সাহিত্যৰাজি মূলত মহাৰাষ্ট্রী আৰু শৌৰসিনী প্রাকৃতত লিখা। একেদৰে শ্বেতম্বৰ জৈন সন্ত সকলৰ নাম তালিকা অন্ধ্র-মগধী প্রাকৃতত লিখা। তদুপৰি, চন্দ্রই লিখা প্রাকৃতালাক্ষণা (Prakritalakshana) প্রাকৃত আৰু পালি ভাষাৰ বিখ্যাত ব্যাকৰণ। তদুপৰি পালি ভাষাইও গুপ্ত যুগত বিকাশ লাভ কৰিছিল। গুপ্তযুগত ৰচনা কৰা 'কাত্যায়নপ্রকর্ন' পালি ভাষাৰ এখন বিখ্যাত ব্যাকৰণ।

আমি লগতে দেখা পাওঁ যে গুপ্তযুগত বিজ্ঞান, অংকশাস্ত্র আৰু জ্যোতিষবিদ্যাই যথেষ্ট প্রগতি লাভ কৰিছিল। গুপ্তযুগত বিজ্ঞানৰ ওপৰত বহুতো কর্মৰাজি সৃষ্টি হৈছিল। আর্যভট্ট এই যুগৰ মহান বিজ্ঞানী। জ্যোতিষবিদ্যা আৰু গণিতলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ বিখ্যাত আছিল। তেওঁৰ বিখ্যাত গ্রন্থ আছিল - আর্যভট্টিয়াম। ই জ্যামিত্যি, বীজগণিত আৰু অংক-শাস্ত্রৰ লগত জড়িত। তেওঁ লগতে আন এখন গুৰুত্বপূর্ণ কিতাপ আর্যভট্ট সিদ্ধান্ত লিখি উলিয়াইছিল।

ব্রহ্মাগুপ্ত এই যুগৰ আন এজন বিখ্যাত গণিতজ্ঞ আছিল। ব্রহ্মগুপ্তক 'শূণ্য' আৰু 'দশমিক প্রথা'ৰ ধাৰণাৰ উদ্ভাৰক হিচাপে বিশ্বাস কৰা হয় যি অংকশাস্ত্রৰ বৈপ্লৱিক পৰিৱর্তন আনিছিল।

বৰাহমিহিৰও গুপ্তযুগৰ এজন বিখ্যাত গণিতজ্ঞ আৰু জ্যোতিষবিদ আছিল। তেওঁৰ পঞ্চসিদ্ধান্তিকাই জ্যোতিষবিদ্যাৰ পাঁচটা ভাগৰ আলোচনা য'ত দুটা ভাগে গ্রীক জ্যোতিষবিদ্যাৰ নিকট জ্ঞান প্রকাশ কৰিছে। যোগযাত্রা, বৃহৎ সংহিতা, বৃহৎ জাতক আৰু লঘূ জাতক তেওঁৰ আন কেইটামান গুৰুত্বপূর্ণ কর্মৰাজি। বৃহৎসংহিতা বৰাহমিহিৰৰ এক মহান কর্মৰাজি আছিল যি জ্যোতিবিজ্ঞান, জ্যোতিষবিদ্যা, ভূগোল স্থাপত্য আদি বিভিন্ন বিষয়ৰ আলোচনা কৰিছে।

যি কি নহওঁক, গুপ্তযুগত চিকিৎসা বিজ্ঞানৰ বহুতো পুথি ৰচনা কৰা হৈছিল। চিকিৎসা বিজ্ঞানৰ এখন বিখ্যাত পুথি যাক 'হস্তায়ুৰ্ৱেদ' নামে জনা যায় গুপ্ত যুগতে সৃষ্টি হৈছিল। একেধৰণেৰে, চাৰক সংহিতা আৰু সুশ্রুত সংহিতা এই যুগৰ আটাইতকৈ গুৰুত্বপূর্ণ পুথি। চাৰক সংহিতা আয়ুৰ্ৱেদৰ ওপৰত ৰচিত এখন গ্রন্থ যাক ১২০ টা অধ্যায়ত ভাগ কৰাৰ লগতে ৮ টা অংশত সজোৱা হৈছে। সেয়েহে, মহান চিকিৎসক সুশ্রুতে ৰচনা কৰা সুশ্রুত সংহিতা গুপ্ত যুগৰ চিকিৎসা বিজ্ঞানৰ আন এক গুৰুত্বপূর্ণ ৰচনা। এই পুথিত চিকিৎসা বিজ্ঞানৰ শল্য চিকিৎসাৰ বর্ণনা কৰা হৈছে।



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** গুপ্ত ৰাজবংশৰ প্রতিষ্ঠাতা কোন?

_____

**প্রশ্ন নং ২ ঃ** কাক 'ভাৰতীয় নেপোলিয়ন' হিচাপে জনা যায়?

_____

**প্রশ্ন নং ৩ ঃ** 'বৃহৎ জাতক' গ্রন্থৰ লেখক কোন?

_____

**প্রশ্ন নং ৪ ঃ** দাণ্ডিনৰ ৰচনাসমূহ উল্লেখ কৰক?

_____

**অনুশীলনী ৬.১**

গুপ্ত যুগৰ প্রধান সাহিত্যিক কর্মৰাজিৰ এখন তালিকা প্রস্তুত কৰক।

.....

.....

.....

.....

## ৬.৪ গুপ্ত যুগৰ কলা

### ৬.৪.১ ভাস্কর্য

গুপ্ত যুগত ভাস্কর্য কলাই চূড়ান্ত শিখৰত উপনীত হৈছিল। গুপ্ত যুগৰ শিল্পীসকলে ঐশ্বৰিক অৱয়ব আৰু মানৰ মূর্তি প্রস্তুত কৰোতে উচ্চ কৌশল প্রদর্শন কৰিছিল। গুপ্ত ভাস্কর্যবিদ সকলৰ মূল উদ্দেশ্য আছিল আধ্যাত্মিক আৰু দার্শনিক ধাৰণা প্রকাশ কৰা। এইটো উল্লেখযোগ্য যে, ভাস্কর্য খোদিত কৰোতে পোৰামাটি, শিল, ধাতু আৰু সকলো সহজলভ্য পদার্থ কামত লগোৱা হৈছিল।

#### সাৰনাথৰ শিল্পশৈলী

গুপ্ত যুগত সাৰনাথ শিল্পকলাইও বিকাশ লাভ কৰিছিল। এই শিল্পকলাৰ উৎকৃষ্ট উদাহৰণ হৈছে ধর্মচক্র প্রৱর্তন মুদ্রাত থকা বুদ্ধৰ ভাস্কর্য। নালন্দাত আন বুদ্ধৰ মূর্তি উদ্ধাৰ কৰা হৈছে আৰু এই সময়ছোৱাৰ আন এক বিশাল বুদ্ধৰ মূর্তি উত্তৰ ভাৰতৰ চুলতানগঞ্জত পোৱা গৈছে। এয়া উল্লেখযোগ্য যে বুদ্ধৰ এই মূর্তি ২.৩ মিটাৰ উচ্চ আৰু ১ মিটাৰ বহল আৰু ৫০০ কি.গ্রাম ওজনৰ। পুৰাতত্ত্ববিদসকলৰ মতে, ইয়াক

খ্ৰীষ্টাব্দ পঞ্চম আৰু সপ্তম শতিকাৰ মাজত সৃষ্টি কৰা হৈছিল। যি কি নহওক, এই মূৰ্তিটো শৈলীৰ ক্ষেত্ৰত সাৰনাথত থকা বুদ্ধৰ শিলৰ মূৰ্তিটোৰ সৈতে একে।

ইয়াৰ উপৰি, গুপ্তযুগত পোৱামটিৰ ভাস্কৰ্যইও চূড়ান্ত শিখৰত উপনীত হৈছিল। কৌশম্বী, ৰাজগীৰ, ভিটা আৰু মথুৰা আদি বিভিন্ন ঠাইত পোৱা সৰু মূৰ্তি আৰু ফুল-জালি কটা বেৰত লগোৱা ফলক পোৱামাটিৰ শিল্পকলাৰ অন্তৰ্ভুক্ত। দেৱী গংগা আৰু যমুনাৰ পোৱা মাটিৰ মূৰ্তি অহিচচ্ছত্ৰাত (Ahichchhatra)উদ্ধাৰ কৰা হৈছে। ৰাজগীৰৰ মেনিয়াৰ মথৰ বাহিৰৰ বেৰত মূলত নাগ আৰু নাগিনৰ সুন্দৰ ভাস্কৰ্য আছিল। এই সমূহ সৰ্প পুৰুষ আৰু সৰ্পনাৰীৰ প্ৰকাশ।

**গুপ্ত যুগৰ কলাৰ মৌলিক বৈশিষ্ট্য ঃ**

- **ভাৰতীয় ধাৰণা**

গুপ্ত কলাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে যে ইয়াৰ বিষয়বস্তু আৰু শৈলী সম্পূৰ্ণ ভাৰতীয় উপাদানেৰে গঠিত। এই যুগৰ ভাস্কৰ্য যিকোনো বিদেশী প্ৰভাৱৰ পৰা মুক্ত আছিল। গুপ্ত যুগত ভাৰতীয় স্থাপত্য কলাত গ্ৰীক আৰু ৰোমান প্ৰভাৱ নাইকিয়া হ'ল।

- **ভাৰতীয় কলাৰ মূলত আছিল মানৱ অৱয়ব**

গুপ্ত কলাৰ মূল আছিল মানৱ অৱয়ব বা মূৰ্তি। কেৱল ভাস্কৰ্যই নহয় অজন্তা আৰু বাঘ গুহাৰ চিত্ৰ, সকলোৱে এই বৈশিষ্ট্য প্ৰদৰ্শন কৰে। প্ৰাণী আৰু উদ্ভিদ পৃষ্ঠভূমিত অংকন কৰা হৈছিল আৰু মানৱ মূৰ্তিৰ কাৰণে এক ফ্ৰেম বা আধাৰ তৈয়াৰ কৰিছিল। মানৱ মূৰ্তিয়ে শুঙ্গ যুগৰ ভাস্কৰ্যৰ দৰে মধ্যভাগ দখল কৰিছিল।

- **আধ্যাত্মিক উপাদান**

গুপ্ত যুগৰ কলাই ইয়াৰ মূৰ্তিবোৰত এক মহান আধ্যাত্মিক গুণ প্ৰতিফলিত কৰিছে। কেৱল মাত্ৰ ধৰ্মীয় চিত্ৰই নহয় মানৱ অৱয়বৰ মূৰ্তিবোৰেও এক আধ্যাত্মিক গুণ প্ৰদৰ্শন কৰিছিল। এইবিলাক ৰুচিবোধ আৰু উচ্চস্তৰৰ নন্দন তাত্বিক অনুভূতিৰে অংকন কৰা হৈছিল। কাপোৰৰ আচ্ছাদন আৰু অলংকাৰ কম মাত্ৰাত প্ৰয়োগ কৰা হৈছিল। মূৰ্তিবোৰ আধা-মুদ খোৱা চকুৰে ভাবুক আছিল।

## ৬.৪.২ চিত্ৰকলা

গুপ্ত যুগত চিত্ৰকলাই উল্লেখযোগ্য প্ৰগতি লাভ কৰিছিল। কালিদাস আৰু দণ্ডিৰ দৰে কিছুমান সংস্কৃত পণ্ডিতে এই চিত্ৰকলাৰ বিষয়ে উল্লেখ কৰিছে। এইটো উল্লেখযোগ্য যে যশোধৰাই কামসূত্ৰৰ ওপৰত এক ধাৰাভাষ্য লিখি উলিয়াইছিল আৰু চিত্ৰকলাৰ ছটা ভাগ কথা উল্লেখ কৰিছে য'ত ৰূপভেদ (form), প্ৰমাণানি (portion), ভাৱ (expression of emotions), লাৱণ্য যোজনম (grace or aesthetic sense),

সাদৃশ্যম (likeness or similitude) আৰু বার্মিক ভাংগম (colour scheme) অন্তর্ভূক্ত।

এই চিত্রকলাই ধর্মীয় আৰু ধর্মনিৰপেক্ষ বিষয়বস্তু অংকন কৰিছিল। পেছাদাৰী শিল্পীসকলে চিত্র অংকনৰ কাৰণে এডাল পেন্সিল আৰু এটা তুলিকা ব্যৱহাৰ কৰিছিল। গুপ্ত যুগৰ চিত্রকলাই মানৰ জীৱনৰ কোনো দিশকেই স্পর্শ নকৰাকৈ বাকী ৰখা নাছিল। অজন্তা আৰু বাঘ গুহাত অংকন কৰা চিত্রসমূহ গুপ্ত যুগৰ চিত্রকলাৰ উৎকৃষ্ট উদাহৰণ।

## অজন্তা গুহা

ভাৰতীয় চিত্রকলাৰ ইতিহাসত অজন্তা গুহাৰ চিত্রকলাৰ বিশেষ গুৰুত্ব আছে। অজন্তা গুহা ঔৰংগাবাদৰ অর্ধা চন্দ্রাকৃতিৰ পাহাৰৰ পৃষ্ঠভূমিত অৱস্থিত য'ৰপৰা এক বিশাল উপত্যকা দেখা পোৱা যায়। এই গুহাসমূহৰ খনন আৰু ইয়াৰ বেৰ আৰু স্তম্ভ সমূহ এক দীঘলীয়া সময় জুৰি চিত্রৰে সজাই তোলা হৈছিল, কিন্তু ইয়াৰে বেছিভাগ গুপ্ত যুগত আৰু চালুক্য শাসক সকলৰ শাসন কালত অংকন কৰা হৈছিল। চিত্রৰ বাবে উপৰিভাগ চিত্রৰ প্রস্তুত কৰিবলৈ গুৰি কৰা শিল, গৰু গোবৰ, মাটি আৰু তুঁহ একেলগে মিশ্রণ কৰি দক্ষিণ ভাৰতৰ আগ্নেয় শিলৰ খহটা উপৰিভাগত মেলি দিয়া হয়। প্রলেপটো সেমেকি থাকোতেই তাৰ ওপৰত চূণশিলৰ এটা স্তৰ প্রয়োগ কৰা হয় যাতে মিশ্রণৰ প্রলেপটোৱে শুহি ল'ব পাৰে। প্রথমতে ৰূপৰেখা আঁকি লৈ ৰং প্রয়োগ কৰা হয়। দুই মাত্রাযুক্ত ছবিসমূহ তিনি মাত্রাযুক্ত কৰিবলৈ গাঢ়তাৰ প্রতিফলন ঘটোৱা হয়। ছবি সম্পূর্ণ হৈ উঠাৰ পাছত ধাতুৰে পাতলকৈ ঘঁহি মিহি আৰু চিকচিকীয়া কৰা হয় যাতে ইয়াৰ ৰংবোৰ সংৰক্ষিত হৈ থাকে যিবোৰ সাধাৰণতে শাক-পাচলীৰ অংশ, এবিধ নীলা ৰং, নীলা, ৰঙচুৱা মাটি, হালধীয়া মাটি, চাকিৰ ক'লা ছাইৰ দ্বাৰা প্রস্তুত কৰা। অজন্তাৰ চিত্রসমূহৰ প্রকৃত মূর্তিটো জীৱন্ত অৱস্থাতকৈ সহযোগী মূর্তিবোৰতকৈ সদায় ডাঙৰকৈ অংকন কৰা হয়। দর্শকৰ দৃষ্টি আকর্ষণ কৰিবলৈ মূল মূর্তিটো সূচাৰুৰূপে গাঢ়তাৰ প্রতিফলন ঘটোৱা হয় যি ছাঁ-পোহৰৰ খেলাৰ ফলস্বৰূপে আলোকিত হৈ পৰে। কলাৰ ইতিহাসবিদ (Stella kramrisch) ষ্টেলা ক্রেমৰিচয়ে এই পোহৰ ব্যৱহাৰৰ কৌশলক "The direction of the forthcoming" আখ্যা দিছে।

### অজন্তা চিত্রকলাৰ কালানুক্রমিক ঃ

i) গুহা নং IX আৰু X (খ্রীষ্টপূর্ব ১০০ ৰপৰা ১০০ খ্রীষ্টাব্দলৈ)

ii) গুহা নং IV, V, XI, XVI, XVII, XIX (খ্রীষ্টপূর্ব ১০০ ৰপৰা ৩৫০ খ্রীষ্টাব্দলৈ)

iii) দহ নম্বৰ গুহাৰ স্তম্ভ (৩৫০ খ্রীষ্টাব্দ)

iv) এক নং আৰু দুই নং গুহা (খ্রীষ্টপূর্ব ৬২৬ ৰপৰা ৬২৮ খ্রীষ্টাব্দলৈ)

### অজন্তা গুহাৰ চিত্রসমূহৰ বিষয়বস্তু ঃ

অজন্তা গুহাৰ চিত্র সমূহৰ বিষয়বস্তু বিভিন্ন প্রকাৰৰ -

- আলংকাৰিক নক্সা বা আৰ্হি যেনে চানেকি আৰু কাঠ বা শিলত কটা ঘোৰ খোৱা ফুল, জন্তুৰ অৱয়ব, ফুল আৰু গছ, বা উদ্ভিদ আৰু জীৱ আৰু জ্যামিত্যিক আৰ্হিৰ অংকন।
- গৰুড়, গন্ধৰ্ব যক্ষ আদিৰ দৰে অৰ্দ্ধ ঐশ্বৰিক প্ৰাণী।
- জাতকৰ সাধুকথাত বুদ্ধৰ জীৱন আৰু তেওঁৰ পূৰ্বজন্মৰ ঘটনাসমূহ অংকন কৰা হৈছিল।
- বুদ্ধ আৰু বোদ্ধিস্বত্বৰ চিত্ৰ, অভলোকিতেশ্বৰ পদ্মপাণি, বজ্ৰপাণিৰ আদিৰ দৰে লোকবিশ্বাস আৰু ঐতিহাসিক দুয়ো।
- ৰাজকীয় শোভাযাত্ৰা, ৰাজসভাৰ দৃশ্য আৰু বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত মানুহ। অজন্তাৰ XVI আৰু XVII নম্বৰ গুহাৰ মূৰ্তিবোৰৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰা প্ৰয়োজন যিহেতু সেইসমূহ গুপ্ত যুগত খোদিত কৰা হৈছিল। XVII নম্বৰ গুহাত যথেষ্ট সংখ্যক প্ৰতিকৃতি চিত্ৰ আছে আৰু সেয়েহে ইয়াক "চিত্ৰৰ গেলাৰী' (Picture Gallery) আখ্যা দিয়া হয়। এই গুহাৰ চিত্ৰত পুৰুষ মহিলা উভয়ৰ সুন্দৰ পোছাক আৰু অলংকাৰৰ প্ৰতিফলন ঘটিছে। অজন্তা গুহাৰ চিত্ৰসমূহক প্ৰাচীন ভাৰতৰ কলাৰ উৎকৃষ্ট নিদৰ্শন আখ্যা দিয়া হয়।

**গুপ্ত যুগৰ অজন্তা গুহাত ভাস্কৰ্য আৰু চিত্ৰকলা**

উৎস ঃ Google imagh



**চিত্ৰ ১ ঃ**



উৎস ঃ Google imagh

চিত্র ২ ঃ

**বাঘ গুহা ঃ**

বাঘ গুহা নটা শিলত কটা কৃর্তিচিহ্নৰ সমষ্টি, যি মধ্যপ্রদেশৰ গোৱালিয়ৰৰ ওচৰৰ বাঘ চহৰত অৱস্থিত। যি কি নহওঁক, প্রাৰম্ভিক অৱস্থাৰ নটা গুহাৰ বর্তমান পাঁচটাহে বর্তি আছে। আখ্যান্ন মতে, এই গুহাসমূহ বৌদ্ধ সন্যাসী দাত্কা (Dataka) সাজিছিল। এই গুহাসমূহ খ্রীষ্টাব্দ চতুর্থ শতিকাৰ শেষ আৰু ষষ্ঠ শতিকা বা গুপ্ত যুগত নির্মাণ কৰা হৈছিল। বাঘ গুহাৰ চিত্রসমূহ মূলতঃ মুৰাল (বেৰ, চিলিং, স্তম্ভ আদিৰ উপৰিভাগত পোনপটিয়াকৈ অঁকা) চিত্র। ৰং কৰিবলগীয়া বেৰ আৰু চিলিং সমূহ কমলা ৰঙৰ মাটিৰ প্রলেপে ঢাকি ৰখা হয়। শিল্পীসকলে সোনকালে শুকুৰা স্থায়ী ৰঙৰ মাধ্যম ব্যৱহাৰ কৰিছিল। বাৰিষা ঋতুত বাঘ গুহাৰ চিত্রসমূহ বৰ সুন্দৰ দেখা যায়।



চিত্র ৩ বাঘ গুহা ঃ

উৎস ঃ Google imagh



চিত্র ৪ বৌদ্ধি স্বত্ব

ঃ

### ৬.৪.৩ সংগীত

ৰাজকীয় পৃষ্ঠপোষকতাৰ বাবে গুপ্তসকলৰ অধীনত ভাৰতীয় শাস্ত্রীয় সংগীতৰ বিকাশ ঘটিছিল। বায়ু পুৰাণত গুপ্তসকলৰ কালত প্রচলিত সংগীতৰ অৱস্থাৰ বিষয়ে বর্ণনা কৰা হৈছিল।

## ৬.৫ স্থাপত্য

গুপ্ত যুগত স্থাপত্যও বহুল ৰূপত বিকশিত হৈছিল। গাঁথ নিৰে নির্মাণ কৰা মন্দিৰ গুপ্ত যুগত উৎপত্তি হৈছিল। গুপ্ত যুগৰ বর্তি থকা মন্দিৰ আৰু অন্যান্য গাঁথনি সমূহ বৰ সুন্দৰ। এই যুগৰ বহুতো মন্দিৰ আৰু অট্টালিকা সময়ৰ গৰাহ আৰু বিদেশী অভিযানত ধ্বংসপ্রাপ্ত হৈছে।

**গুপ্ত স্থাপত্যৰ মূল বৈশিষ্ট্য সমূহ ঃ**

- ধর্মীয় গাঁথনিৰ অনুষ্ঠান সমূহ, যেনে- সাঁচীৰ সোতৰ নম্বৰ মন্দিৰ আৰু ভিটাৰ গাঁৱৰবৃহৎ পৰিমাণত ইটাৰে নির্মিত মন্দিৰ আদি ।
- এই যুগৰ বেছিসংখ্যক মন্দিৰ বা পৰিত্র স্থান হিন্দু দেৱ-দেৱীৰ নামত উৎসর্গিত - নাচনা কুথাৰৰ পার্বতী মন্দিৰ, ভূমাৰৰ শিৰ মন্দিৰ, আইহ'লৰ দুর্গা মন্দিৰ ইত্যাদি।
- পৰিত্র স্থানসমূহ পৰম্পৰাগত দেৱতাৰ কাৰণে নির্মাণ কৰিছিল - যেনে মণি নাগৰ মন্দিৰ।
- গুপ্ত ৰজাসকলে মন্দিৰ নির্মাণত সক্রিয়ভাৱে পৃষ্ঠপোষকতা কৰিছিল।
- গাঁথনিৰে নির্মিত গুপ্ত যুগৰ মন্দিৰ সমূহ শিলত কটা বুদ্ধ স্থাপত্যৰ ওপৰত ভিত্তি কৰা, দৰাচলতে বিহাৰৰ বর্গাকৃতিৰ কক্ষ, চৈত্যগৃহ আৰু স্তূপ।
- গুপ্তযুগৰ বেছিভাগ মন্দিৰ দেৱতা, মানুহ, প্রাণী আৰু উদ্ভিদৰ লগতে জ্যামিত্যিক নক্সাৰ সুন্দৰ ভাস্কর্যৰে সুশোভিত। পদুম ফুলৰ সমূহীয়া চিত্র আছিল।

**গুপ্ত যুগৰ মন্দিৰ সমূহ পৃথক ধৰণৰ ঃ**

- গুপ্ত যুগৰ আৰম্ভণিৰ মন্দিৰ সমূহৰ সাধাৰণতে চেপেটা চালৰ বর্গাকৃতিৰ গর্ভগৃহ আছিল। গর্ভগৃহ আছিল অগভীৰ অথবা বাম স্তম্ভৰ বাটচ'ৰাৰে আগবঢ়াই নিয়া। উদাহৰণস্বৰূপে সোতৰ নম্বৰ সাঁচীৰ মন্দিৰ আৰু ইৰাণৰ শিলৰ মন্দিৰ।
- এই যুগৰ কিছুমান মন্দিৰত আমি এক পদক্ষীণ পথৰ সৈতে চেপেটা চাল আৰু কিছুক্ষেত্রত ওপৰ পিনে দ্বিতীয় মহলা থকা বর্গাকৃতিৰ পৰিত্র স্থান দেখা পাওঁ। উদাহৰণস্বৰূপে নাচনা কুথাৰাৰ পার্বতী মন্দিৰ আৰু ভূমাৰাৰ শিৰ মন্দিৰ। বাদামীৰ লাড় খান মন্দিৰত প্রথম বাৰৰ বাবে অগভীৰ অথবা বাম বাট চ'ৰাৰ পৰিৱর্তে এক বিশাল মণ্ডপ দেখা যায়।
- গুপ্ত যুগৰ শেষৰফালে ওখ আৰু বহল ভেঁটিৰে মন্দিৰ সমূহ নির্মাণ কৰা হৈছিল। চেপেটা চালৰ সলনি 'শিখৰ' বা ওপৰফালে চাপ খাই যোৱা জোঙা চড়াৰে নির্মাণ কৰা হৈছিল। উদাহৰণস্বৰূপে দেওগড়ৰ দশাৱতাৰ মন্দিৰ আৰু ভিতাৰগাঁৱৰ ইটাৰ মন্দিৰ, দশাৱতাৰ

মন্দিৰৰ ভেঁটিটো বিষ্ণুৰ দশাৱতাৰ আৰু বিষ্ণু পুৰাণৰ কাহিনী অংকন কৰা ভাস্কর্যৰে সুশোভিত কৰি তোলা হৈছিল।

- আইহ'লত আমি শিলাখণ্ডৰে নির্মাণ কৰা দুর্গা মন্দিৰ দেখা পাওঁ। আগৰ যুগৰ শিলত কটা বুদ্ধ চৈত্যগৃহৰ সৈতে ইয়াৰ সাদৃশ্য আছে। ই সন্মুখৰ ফালে আয়তাকৃতিৰ আৰু পিছৰ ফালে অর্দ্ধ বৃত্তাকৃতিৰ গাঁথনিৰে গঠিত। ইয়াৰ মূধচ আয়তাকৃতিৰ অংশৰ ওপৰত অর্দ্ধ বৃত্তাকৃতি বা সুৰংগৰ ওপৰত অংশৰ দৰে নির্মিত।
- বিহাৰৰ ৰাজগীৰত এটা বৃত্তাকৃতিৰ গাঁথনি আছে যাৰ মূধচটো বর্তমান নাই। ইয়াৰ বৌদ্ধ স্তূপৰ লগত সাদৃশ্য আছে। আগত উল্লেখ কৰাৰ দৰে, এসময়ত ইয়াৰ বাহিৰৰ দেৱালত নাগ-নাগিনৰ জীৱন্ত আকৃতিৰ প্রলেপ লগোৱা আছিল।

**চিত্র ৫ ঃ দেউগড়ত অৱস্থিত দশৱতাৰা মন্দিৰ**



**উৎস ঃ** Google images

**চিত্র ৬ ঃ আইহলত অৱস্থিত দুর্গা মন্দিৰ**



**উৎস ঃ** Google images

### গুপ্ত যুগৰ স্তম্ভ

গুপ্ত যুগৰ স্থাপত্যৰ আন এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে স্তম্ভ। যথেষ্ট সংখ্যক মুক্তভাৱে থিয় হৈ থকা ওখ শিল আৰু লোৰ স্তম্ভ গুপ্ত যুগত নির্মাণ কৰা হৈছিল। গুপ্ত শাসক সকলে আনৰ ৰাজ্য অধিকাৰৰ দৰে কিছুমান গুৰুত্বপূর্ণ ঘটনাবোৰৰ স্মৃতিত স্তম্ভ নির্মাণ কৰিছিল। তেওঁলোকে বর্তি থকা শিল আৰু স্তম্ভকো তেওঁলোকৰ সফলতাবোৰ খোদিত কৰাৰ কামত ব্যৱহাৰ কৰিছিল।

- সমুদ্র গুপ্তৰ প্রয়াগ প্রশস্তি, যাক এলাহাবাদ স্তম্ভ লিপি নামেৰেও জনা যায় সম্ভৱতঃ গুপ্ত যুগৰ আটাইতকৈ গুৰুত্বপূর্ণ সমল। এলাহাবাদ স্তম্ভলিপি সমুদ্রগুপ্তৰ ৰাজসভাৰ কবি হৰিসেনে ৰচনা কৰিছিল। ইয়াক অশোকৰ স্তম্ভৰ ওপৰত খোদিত কৰা হৈছিল আৰু ইয়াত সমুদ্রগুপ্তৰ ৰাজ্য জয়ৰ বিষয়ে সবিশেষ বর্ণনা কৰাৰ লগতে, শ্রীলংকা, শক আৰু কুষাণসকলৰ লগত তেওঁৰ কূটনৈতিক সম্পর্কৰ বিষয়ে উল্লেখ আছে।
- গুপ্ত যুগৰ ধাতু তত্ত্ব কলাৰ আটাইতকৈ উৎকৃষ্ট উদাহৰণ হৈছে মেহৰুলী লৌহ স্তম্ভ। ই সাত মিটাৰ (২৩ ফুট) ওখ আৰু হাতুৰীৰে পিটি গঢ় দিয়া লোৰে তৈয়াৰী। ইয়াক সম্রাট দ্বিতীয় চন্দ্রগুপ্তই খ্রীষ্টাব্দ চতুর্থ শতিকাত নির্মাণ কৰিছিল আৰু কেইবাটাও শতিকা পাৰ হোৱাৰ পাছতো ইয়াত মামৰে ধৰা নাই। ইয়াত তেওঁ জয় কৰা ভাৰতীয় উপমহাদেশৰ বেংগল আৰু উত্তৰ-পূৰ সীমান্তৰ জনজাতি সকলৰ বর্ণনা আছে।
- একেদৰে ভিতাৰী স্তম্ভলিপিত স্কন্দগুপ্তৰ লুণ্ঠনৰ, পুষ্যমিত্র শুঙ্গ আৰু ম্লেচ (হুন) সকলৰ বিৰুদ্ধে তেওঁৰ জয়ৰ তথ্য সন্নিবিষ্ট আছে।

**অনুশীলনী ৬.২**

গুপ্ত যুগৰ মন্দিৰ সমূহৰ এখন তালিকা প্রস্তুত কৰক -

.....

.....

.....

.....

### গুপ্ত যুগৰ চৈত্য আৰু গুহা

গুপ্ত যুগত বহুতো বৌদ্ধ স্তূপ, চৈত্য আৰু বিহাৰ নির্মাণ কৰা হৈছিল। উদাহৰণস্বৰূপে উদয়গিৰিৰ ব্রাহ্মণ্য গুহা দ্বিতীয় চন্দ্র গুপ্তৰ ৰাজত্ব কালৰ। উপিন্দৰ সিঙৰ মতে "পৰিত্র স্থান সমূহ আংশিক ভাৱে শিলত আৰু আংশিকভাৱে শিলেৰে তৈয়াৰী। ইয়াৰ সন্মুখত স্তম্ভশোভিত অলিন্দ, শিল্পখোদিত দুৱাৰ আৰু শীর্ষৰে সৈতে থকা স্তম্ভ।" (উপিন্দৰ সিংঃ২০০৯ পৃঃ৫২৮)

অজন্তা গুহা আৰু বাঘ শিলত কটা স্থাপত্যও গুপ্ত যুগৰ। অজন্তা আৰু বাঘ গুহাৰ উপৰিও উন্দাভলী গুহা, মণ্ডলাৰাজা পুৰম ইত্যাদি যথেষ্ট সংখ্যক গুহা পোৱা যায়। একেদৰে, অজন্তা গুহাৰ ১৯ আৰু ২৬ নম্বৰ চৈত্যগৃহ গুপ্তযুগত খোদিত কৰা হৈছিল। চৈত্যৰ দৰে অজন্তা

বিহাৰে যথেষ্ট পৰিমাণে ভাস্কৰ্যৰ অলংকাৰ প্ৰদৰ্শন কৰে। বিহাৰ সমূহেও গুপ্ত যুগৰ স্থাপত্যৰ বিভন্ন প্ৰকাৰৰ প্ৰদৰ্শন কৰে। এলিফেণ্টা দ্বীপৰ কিছুমান শিলত কটা গুহা গুপ্ত যুগত খনন কৰা হৈছিল।



**জানি থোৱা ভাল**

এলিফেণ্টা গুহা হৈছে হিন্দু দেৱতা শিৱৰ নামত উৎসৰ্গিত গুহা মন্দিৰ। ইয়াত শিলত কটা শিলৰ ভাস্কৰ্য আছে য'ত হিন্দু আৰু বৌদ্ধ প্ৰতীকসমূহৰ সংমিশ্ৰণ দেখা যায়। এলিফেণ্টা গুহাৰ বেছিভাগ গুহা গুপ্ত যুগত খনন আৰু ভাস্কৰ্য সমূহ খোদিত কৰা হৈছিল।



**অগ্ৰগতিৰ নিৰীক্ষণ**

**প্ৰশ্ন ৫ ঃ** শুদ্ধ উত্তৰটো বাচি উলিয়াওক ঃ

ক) দেৱী গংগা আৰু যমুনাৰ পোৰা মাটিৰ মূৰ্তি পোৱা যায় -

(i) অহিচচত্ৰ (ii) কৌশম্বী

(iii) মথুৰা (iv) গান্ধাৰ

খ) মথুৰাৰ ভাস্কৰ্য শিল্প

(i) সম্পূৰ্ণ দেশীয় শৈলীৰ কলা

(ii) গ্ৰীক-ৰোমান শৈলীৰ কলা

**প্ৰশ্ন ৬ ঃ** খালী ঠাই পূৰ কৰক -

(i) মেহৰুলীৰ লৌহ স্তম্ভ ..... য়ে নিৰ্মাণ কৰিছিল।

(দ্বিতীয় চন্দ্ৰগুপ্ত / সমুদ্ৰগুপ্ত)

(ii) দশৱতাৰ মন্দিৰ ..... অৱস্থিত।

(মধ্যপ্ৰদেশ/উত্তৰ প্ৰদেশ)



## ৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গুপ্ত যুগত কলাৰ বিভিন্ন ক্ষেত্ৰ যেনে সাহিত্য, স্থাপত্য আৰু ভাস্কৰ্য, চিত্ৰ আদিৰ খৰতকীয়া বিকাশ সাধন হৈছিল। সেয়েহে কিছুসংখ্যক ইতিহাসবিদে এই যুগক "ভাৰতীয় ইতিহাসৰ সোণালী যুগ' বুলি কয়।

- গুপ্ত যুগত সংস্কৃত সাহিত্যই উচ্চ শিখৰত উপনীত হৈছিল। এই যুগত সংস্কৃত ৰাজসভাৰ ভাষাত পৰিণত হৈছিল। একেদৰে এই যুগত ধর্ম নিৰপেক্ষ আৰু বৈজ্ঞানিক সাহিত্যইও বিকাশ লাভ কৰিছিল।
- কলা আৰু বিজ্ঞানৰ ক্ষেত্ৰটো গুপ্ত যুগত উল্লেখযোগ্য প্ৰগতি লাভ কৰিছিল। গুপ্ত শাসক সকল কলাৰ মহান পৃষ্ঠপোষক আছিল। তদুপৰি, স্থাপত্য আৰু ভাস্কর্যৰ ভাগ যেনে স্তম্ভ, স্তূপ, গুহা, পোৰামাটিৰ মূর্তি, চিত্ৰ ইত্যাদি গুপ্ত যুগত প্ৰচুৰ পৰিমাণে নির্মাণ কৰা হৈছিল। অজন্তা আৰু বাঘত পোৱা আটাইতকৈ গুৰুত্বপূর্ণ শিলত কটা গুহাসমূহে গুপ্তসকলৰ কলাক প্ৰতিনিধিত্ব কৰে।
- এই যুগতেই ভাৰতে গণিতশাস্ত্ৰ আৰু জ্যোর্তিবিজ্ঞানটো যথেষ্ট অগ্ৰগতি লাভ কৰিছিল।



## ৬.৭ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**


1. Harle, J.C. (1986). *Art and Architecture of the Indian Subcontinent,* New Delhi, India : Penguin Publication.
2. Sharma, R.S. (2005). *India's Ancient past.* New Delhi, India : Oxford University Press.
3. Singh, Upinder (2009). *A History and Early Medieval India : From the Stone Age to the 12th century,* Delhi, India : Pearson Education India.
4. Thapar, Romila. (2018). *Indian Cultures as Heritage : Contemporary Past.* Delhi, India : Aleph Book Company.




## ৬.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** শ্ৰী গুপ্ত।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** সমুদ্ৰগুপ্ত।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰৰাহমিহিৰ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** কাব্যদর্শক আৰু দশকুমাৰ চৰিত্ৰ।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) (i) অহিচচত্ৰ

(খ) (i) সম্পূর্ণৰূপে দেশীয় শৈলীৰ কলা

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ**

(i) দ্বিতীয় চন্দ্ৰগুপ্ত।

(ii) উত্তৰ প্ৰদেশ।



## ৬.৯ আদর্শ প্রশ্নাৱলী

**ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন-১** ঃ গুপ্ত যুগ কেতিয়া আৰম্ভ হৈছিল?

**প্রশ্ন-২** ঃ কোনজন গুপ্ত সম্রাটে 'বিক্রমাদিত্য' উপাধি গ্রহণ কৰিছিল?

**প্রশ্ন-৩** ঃ এলাহাবাদ স্তম্ভ লিপি কোনে ৰচনা কৰিছিল?

**প্রশ্ন-৪** ঃ বাঘ গুহা ক'ত অৱস্থিত?

**খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন-১** ঃ কালিদাসৰ সৃষ্টিসমূহৰ বিষয়ে এক চমু টোকা লিখক।

**প্রশ্ন-২** ঃ গুপ্ত যুগৰ যিকোনো দুখন সংস্কৃত গ্রন্থৰ বিষয়ে চমুটোকা লিখক?

**প্রশ্ন-৩** ঃ গুপ্ত যুগৰ স্তম্ভ সমূহৰ গুৰুত্ব কি?

**প্রশ্ন-৪** ঃ চমুটোকা লিখক।

(ক) গুপ্ত যুগৰ ভাস্কর্যৰ প্রধান বৈশিষ্ট্য।

(খ) অজন্তা গুহাৰ চিত্র।

**গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন-১** ঃ "গুপ্ত যুগক ভাৰতীয় ইতিহাসৰ সোণালী যুগ আখ্যা দিয়া হয়"- আলোচনা কৰক।

**প্রশ্ন-২** ঃ গুপ্ত যুগৰ সংস্কৃত আৰু দেশীয় সাহিত্যৰ বিকাশৰ বিষয়ে উল্লেখ কৰক।

**প্রশ্ন-৩** ঃ গুপ্ত যুগত স্থাপত্য আৰু ভাস্কর্যৰ ক্ষেত্রত হোৱা উন্নতিৰ বিষয়ে সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

**প্রশ্ন-৪** ঃ গুপ্ত যুগত চিত্রকলাৰ ক্ষেত্রত হোৱা বিকাশৰ সম্পর্কে বর্ণনা কৰক।

********